দিনটোৰ বাণী

ীক্ষাত নকল কৰাটো
ন দোষ, আনৰ পৰা চাই
ৰাটো সিমানেই দোষ।

— হেম বৰুৱা

# অসম আদিত্য

RNI REGN. No. : ASSASS/2
epaper.asomaditya.c
Portal : www.asomadity
e-mail : asomaditya@gr

স্বাস্থ্য

তেজপাতে পাচনতন্ত্র সবল
বদহজম, বেয়া উগাৰ অহা,
আভোক, কোষ্ঠকাঠিন্য আ
কৰে। গেছ, পিত্ত ৰোগ দূৰ

ষ্ঠ বছৰ ■ সংখ্যা ১১১ ■ ১৩ ব'হাগ, ১৯৪৬ শক ■ শুকুৰবাৰ, ২৬ এপ্ৰিল, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, April 26, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড়

অসম আদিত্য

❑ অসম আদিত্য, ডিব্ৰুগড় ❑ শুকুৰবাৰ, ২৬ এপ্ৰিল, ২০২৪ ❑

### কানৈ কলেজত 'প্ৰতিযোগিতামূলক পৰীক্ষা, নৱপ্ৰজন্ম আৰু অসমৰ ভৱিষ্যৎ' শীৰ্ষক বক্তৃতানুষ্ঠান

# অসমৰ ছাত্ৰ-ছাত্ৰীৰ বিপুল সম্ভাৱনা আছেঃ ময়ূৰ বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ এপ্ৰিল ঃ** অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সম্ভাৱনা বিপুল হোৱা সত্ত্বেও মূলতঃ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কলেজীয়া জীৱনৰ পৰাই সাজু নোহোৱাৰ বাবে তেওঁলোকৰ সৰহ সংখ্যকে আশাব্যঞ্জক সফলতা লাভ নকৰে।— অসমৰ বিশিষ্ট চিন্তাবিদ, সাহিত্যিক, সমালোচক ময়ূৰ বৰাই আজি এইদৰে কয়। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত মহাবিদ্যালয়খনৰ শিক্ষাতত্ত্ব, সমাজতত্ত্ব আৰু মনোবিজ্ঞান বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰতিযোগিতামূলক পৰীক্ষা, নৱপ্ৰজন্ম আৰু অসমৰ ভৱিষ্যৎ' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰি তেওঁ কয়— অসমৰ নৱপ্ৰজন্মই প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ সম্পূৰ্ণ প্ৰতিভা থাকিলেও নৱপ্ৰজন্মই তেনে পৰীৰক্ষাত অৱতীৰ্ণ হোৱাৰ ইচ্ছা প্ৰকাশ নকৰে। নৱ প্ৰজন্মক তেওঁ কেনেদৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব, কি কি কাকত-আলোচনী পঢ়া উচিত সেই বিষয়ে সুন্দৰ বিশ্লেষণ আগবঢ়ায়। বিশিষ্ট চিন্তাবিদগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগোৱাৰ লগতে তেওঁলোকৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে। চিন্তাবিদগৰাকীক গ্ৰন্থ, চেলেং চাদৰ, গামোচা, মান-পত্ৰ, স্মৃতি সংৰক্ষণৰ ফটো উপহাৰ দিয়াৰ পিছত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয় যে সাম্প্ৰতিক অসমৰ আটাইতকৈ অধ্যয়নশীল তথা মুক্তভাৱে মত প্ৰকাশ কৰা চিন্তাবিদসকলৰ ভিতৰত অগ্ৰণী ময়ূৰ বৰাই নিজৰ বিদ্যায়তনিক তথা কৰ্মজীৱনত ঈৰ্ষণীয় সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এনে এজন ব্যক্তিক ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ নিৰ্মাণৰ দিশত সহযোগিতা আগবঢ়াবলৈ আমন্ত্ৰণ জনাবলৈ পাই তেওঁ সন্তুষ্টি ব্যক্ত কৰে। অনুষ্ঠানত মুম্বাইস্থিত অসম ভৱনৰ আৱাসিক অভিযন্তা, বিশিষ্ট সমাজকৰ্মী, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ত্ৰিনয়ন সন্দিকৈয়েও শিক্ষাৰ্থীসকলক উদ্দেশ্যি সাৰুৱা বক্তব্য আগবঢ়ায়। আৰম্ভণিতে জয়শ্ৰী গগৈৰ এটি প্ৰাৰ্থনা আৰু কল্পজ্যোতি নেওগৰ এটি বৰগীত পৰিৱেশনে অনুষ্ঠানৰ গাম্ভীৰ্য বৃদ্ধি কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয় দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড০ মৃদুল শৰ্মা, মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা উপাসনা দত্ত, সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ৰিজুমণি সোনোৱাল আৰু বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে দ্বিশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটিত বিশিষ্ট চিন্তাবিদগৰাকীক মুখ্য দ্বাৰত আৰতী, পুষ্পবৃষ্টিৰে আদৰণী জনোৱাৰ পিছত গায়ন-বায়ন আৰু এনচিচিয়ে সভাকক্ষলৈ আদৰি আনে। সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা কৰিশ্মা জে কে বৈযত্নীয়ে আঁত ধৰা অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা কস্তুৰী ফুকনে।




## দৃষ্টিভংগী

❑ মঞ্জুমণি দুৱৰা



ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি উঠা উজনি অসমৰ একমাত্ৰ চহৰ ডিব্ৰুগড়।

## ব্ৰহ্মপুত্ৰ নদীৰ পাৰত বালি খনন নিষিদ্ধ